# মালিনীথান

✍️ গৌতম শৰ্মা

ধেমাজি জিলাৰ অতিকৈ ব্যস্ত চহৰ চিলাপথাৰৰ পৰা ইয়ালৈ দূৰত্ব মাথোঁ আঠ কিলোমিটাৰমান দূৰত্বত অৱস্থিত মালিনীথান হৈছে বৰ্তমান অৰুণাচল প্ৰদেশৰ চিয়াং জিলাৰ অন্তৰ্গত দক্ষিণ সীমান্তত অসম-অৰুণাচলৰ সীমান্তৱৰ্তী অঞ্চল লিকাবালিৰ অলপ নাতিদূৰত অৱস্থিত উত্তৰ-পূৱ ভাৰতৰ দ্বিতীয় বৃহৎ শক্তিপীঠ ৰূপে খ্যাত হিন্দুধৰ্মৰ এক পবিত্ৰ ধৰ্মীয় স্থান, লগতে উত্তৰ-পূব তথা অসমৰ পৰ্যটন উদ্যোগৰ বিকাশৰ এক সম্ভাৱনাময় ক্ষেত্ৰ। প্ৰকৃতপক্ষে মালিনীথান হৈছে এটি মন্দিৰৰ ধ্বংসাৱশেষ থকা এখনি সৰু ঠাই।

ধৰ্মীয় দৃষ্টিকোণৰ পৰা চালে মালিনীথান নামটোৰ উৎপত্তিৰ অন্তৰালত কেইবাটাও আখ্যান জড়িত হৈ আছে। এক আখ্যানমতে দ্বাৰকাৰ শ্ৰীকৃষ্ণই বিদৰ্ভৰাজ ভীষ্মকৰ জীয়াৰী ৰুক্মিণীক হৰণ কৰি নিওতে এই স্থানতে জিৰণি লৈছিল আৰু সেই স্থানতে মহাদেৱ শিৱই আৰু পাৰ্বতীয়ে তেওঁলোকক আদৰণি জনাইছিল। পাৰ্বতীৰ অতিথ্যতাত বিমুগ্ধ হৈ কৃষ্ণই তেওঁক মালিনী অৰ্থাৎ ফুলৰ গৰাকী হিচাপে বিভূষিত কৰিছিল আৰু পৰৱৰ্তী সময়ত এই নাম অনুসৰিয়ে ঠাইখনক মালিনীথান হিচাপে জনা গৈছিল। দ্বিতীয় এক আখ্যানমতে, এসময়ত এই অঞ্চলটোত নানান ফুলেৰে এখন উপবন আছিল আৰু তাত কেইগৰাকীমান মালিনী আছিল। ইয়াৰে এগৰাকী মালিনী মহাদেৱ শিৱৰ প্ৰেমত পৰা কথা পাৰ্বতীয়ে জানিব পাৰি মালিনীক অভিশাপ দিয়ে। পাৰ্বতীৰ শাপত মালিনীয়ে এই ঠাইতে মস্তক হেৰুৱাইছিল আৰু তাৰ পাছৰে পৰা এই ঠাইখন মালিনীথান ৰূপে পৰিচিত হল। মালিনীথান সম্পৰ্কে অন্য এক আখ্যান ডঃ মহেশ্বৰ নেওগৰ "পবিত্ৰ অসম" ত পোৱা যায়। তেখেতৰ বৰ্ণনামতে, এই থানখন কালিকা পুৰাণৰ অষ্টাদশ অধ্যায়ত থকা কামৰূপৰ পূব অঞ্চলত থকা পীঠস্থানখনেই হয়। শিৱই সতীৰ মৃতদেহ কান্ধত লৈ ভাগৰি পৰোতে বিষ্ণুৱে সুদৰ্শন চক্ৰৰ সহায়ত সতীৰ দেহটো ৫১ টা খণ্ডত বিভক্ত কৰিছিল আৰু ইয়াতে সতীৰ মস্তক পতিত হোৱা হেতু এই শক্তিপীঠ খন স্থাপন হৈছিল।

অন্যহাতেদি, ইতিহাসৰ পৃষ্ঠা মেলি চালে আমি বুজিব পাৰোঁ যে ইয়াত একালত কেইটিমান মন্দিৰ আছিল নতুবা একেটি মন্দিৰতে দুৰ্গা, শিৱ, গণেশ আৰু সম্ভৱত লক্ষ্মী-সৰস্বতীৰো উপাসনা কৰা হৈছিল। কালক্ৰমত হয়তো কিবা প্ৰাকৃতিক দুৰ্যোগৰ কবলত পৰি পুৰণি মন্দিৰটো ধ্বংসস্তূপত পৰিণত হ'ল আৰু ইয়াৰ মূৰ্তি, বিগ্ৰহ আদিবোৰ মাটিত পোত গ'ল। বুৰঞ্জীবিদ ড° লীলা গগৈয়ে মতপোষণ কৰিছে - "অনেক দিন এইদৰে থকাৰ পাছত এই শতিকাৰ তৃতীয় দশকত ডব্লিউ-এইছ-কালভাৰ্ট নামেৰে পাছিঘাটৰ সহকাৰী পলিটিকেল অফিচাৰ এজনে মালিনীথান পৰিদৰ্শন কৰে আৰু উক্ত ঠাইত থকা সন্যাসী এজনক তাৰ পৰা খেদি পঠায়। সেই সময়লৈকে উক্ত ঠাইত ভালেমান দেৱ-দেৱীৰ মূৰ্তি অক্ষত অৱস্থাত আছিল কিন্তু আগতে উল্লেখ কৰা সন্যাসীজনে কিছুমান মূৰ্তি ভাঙি পেলাই সম্ভৱতঃ তেওঁৰ নিজৰ বিশ্বাসসন্মত কোনোবা দেৱতাক প্ৰতিষ্ঠা কৰিব খুজিছিল। তাৰ পিছত বছৰচেৰেক নীৰৱতাৰ মাজেদি পাৰ হৈ যায়। ভাৰতবৰ্ষ স্বাধীনতা পোৱাৰ পিছত পুনৰ দুজনমান চৰকাৰী বিষয়াই মালিনী থান পৰিদৰ্শন কৰি যোনী-পীঠৰপৰা বিচ্ছিন্ন হৈ থকা এটা শিৱলিঙ্গ, তিনিডোখৰ হৈ ভাগি থকা দুৰ্গাৰ দশভূজা মূৰ্তি, গণেশৰ মূৰ্তি আদিৰ উপৰিও কিছুমান ভগা-ছিগা মূৰ্তি দেখিবলৈ পায়। ১৯৬৮-৬৯ চনত অৰুণাচল চৰকাৰৰ বিভাগীয় কৰ্তৃপক্ষই ঠাইডোখৰ পৰিষ্কাৰ কৰি প্ৰয়োজনীয় খনন কাৰ্য্য চলায় আৰু কিছুমান ঐতিহাসিক দিশৰপৰা গুৰুত্বপূৰ্ণ বস্তু উদ্ধাৰ কৰে।" এই উদ্ধাৰ হোৱা মূৰ্তি আৰু বিগ্ৰহসমূহ পুনৰ সংস্থাপনৰ যোগেদিয়েই বৰ্তমানৰ থানখনৰ অস্তিত্ব তথা স্থাপনৰ কাৰ্য সমাপন হৈছিল। সেইদিন ধৰি মালিনীথানখন অজস্ৰ ভক্তপ্ৰাণ ৰাইজৰ উপাসনাথলী হিচাপে পৰিগণিত হৈ আহিছে। ঐতিহাসিক দৃষ্টিকোণৰপৰা মালিনীথানত খনন কাৰ্যত উদ্ধাৰ হোৱা সামগ্ৰীসমূহলৈ চাই এইসমূহ কোনো সুনিপুন ভাস্কৰ্যশিল্পীৰ হাতৰ পৰশত প্ৰাণপোৱা যেন অনুভৱ হয়। ঐতিহাসিকসকলৰ দৃষ্টিত এই ঠাইত নিৰ্মিত স্থাপত্যবোৰ প্ৰাক-আহোম যুগৰ স্থাপত্য শিল্পৰ উজ্জ্বল নিদৰ্শন। য'ত তেওঁলোকে প্ৰাচীন কামৰূপৰ বৰ্মণ বংশীয় ৰজাসকলৰ চিল-মোহৰৰ সৈতে থকা সাদৃশ্যতা দেখা পাইছে। এই দিশৰ পৰা মালিনীথানখন ভাৰতবৰ্ষৰ ইতিহাসৰ সোণালী যুগৰ দাবীদাৰ গুপ্তসকলৰ প্ৰভাৱৰ ফলত উদ্ভৱ হোৱা স্থাপত্যৰে নিদৰ্শন বুলি ক'ব পৰা যায়।"

উল্লেখযোগ্য যে, খ্ৰীষ্টিয় অষ্টমৰ পৰা দশম শতিকাৰ মাজভাগত অসমলৈ হোৱা আৰ্য তথা হিন্দুধৰ্মীয় সোঁতৰ প্ৰভাৱত প্ৰাচীন অসমৰ বৌদ্ধ আৰু বৈষ্ণৱ ধৰ্মৰ প্ৰভুত্বক আঁতৰাই শাক্তধৰ্মই নিজৰ স্থিতি সবল কৰি তুলিছিল। এই বিশেষ সময়ছোৱাতেই শাক্ত ধৰ্মৰ বহুবোৰ ধৰ্মীয়পীঠ বা স্থান গঢ় লৈ উঠিছিল। প্ৰাক-শংকৰী যুগত শাক্ত ধৰ্মৰ প্ৰভাৱৰ কথা আমি বৈষ্ণৱ সাহিত্যবোৰৰ পৰাই জানিব পৰোঁ। এই সময়ছোৱাত শদিয়াত তামেশ্বৰীৰ উত্থান ঘটিছিল। আৰু শদিয়া সেইসময়ত চুতীয়াসকলৰ শাসনৰ মুখ্য কেন্দ্ৰভূমি আছিল। এই দিশৰ পৰা চুতীয়াসকল যে শাক্ত গোসাঁনী তামেশ্বৰী-কেঁচাইখাতিৰ অনুগামী আছিল তাত কাৰো দ্বীমত নাই। অন্যহাতেদি মালিনীথানত উদযাপিত বাসন্তী

দুৰ্গাপূজাৰ পৰা অনুমান কৰিব পাৰি যে শাক্ত পূজাথলী তামেশ্বৰীৰ লগত মালিনীথানৰ ওচৰ সম্পৰ্ক আছে আৰু সেয়ে হেতু মালিনীথানখনো কোনোবা চুতীয়া ৰজাৰ দ্বাৰাই নিৰ্মিত শাক্তধৰ্মৰে এটি শক্তিশালী স্থান আছিল।

ইতিমধ্যে বহু পণ্ডিত আৰু গৱেষকে মালিনীথানৰ ঐতিহ্য আৰু পৰিচয়ৰ ওপৰত অধ্যয়ন কৰি বহুবোৰ তথ্য উদ্ধাৰ কৰিছে। পুৰাতাত্বিক বিভাগেও এই ঠাইখনৰ ওপৰত বহুখিনি কাম হাতত লৈছে। মালিনীথান খনৰ ওপৰত এতিয়ালৈকে যিমানখিনি অধ্যয়ন আৰু গৱেষণা হৈছে সেই অনুপাতে ইয়াৰ সংৰক্ষণ, সুৰক্ষা তথা উন্নতি হোৱা নাই। অসুচল বাট-পথ, যানবাহনহীন অৱস্থা, উচিত প্ৰচাৰবিমুখীতাই এতিয়াও এই ধৰ্মীয় স্থানখনিক আমাৰপৰা বহু নিলগাই ৰাখিছে। অসমৰ লগতে সমগ্ৰ ভাৰতবাসীক আকৰ্ষণ কৰিব পৰা যথেষ্টখিনি থল থকা হিন্দু ধৰ্মৰ এই পুৰণি তীৰ্থস্থানখনলৈ যাব পৰাকৈ পথটো একেবাৰে সুচল নহয়। মালিনীথান চাবলৈ যোৱা লোকসকলে ধেমাজি জিলাৰ চিলাপথাৰত উপস্থিত হৈহে প্ৰকৃত সমস্যাৰ সন্মুখীন হয়। কিয়নো চিলাপথাৰৰ পৰা লিকাবালিলৈ যাবলৈ যানবাহন পোৱা যায় যদিও সেইসমূহ লিকাবালিৰ পৰা আৰু আগুৱাই নাযায়। গ'লেও তেওঁলোকে অতিৰিক্তকৈ বহুখিনি ভাড়া বিচাৰে। যিখিনি আমাৰ সৰ্বসাধাৰণ ৰাইজে ব্যয় কৰিব পৰা সমাথ্যতৰ ভিতৰত নাথাকে। খোজেৰে যাবলৈও প্ৰায় ডেৰ-দুই কিলোমিটাৰমান পাহাৰীয়া পথ অতিকৈ বিপদশংকুলেৰে ভৰা। ব্যক্তিগতভাৱে কোনোবাই যানবাহন নিবলৈও পথছোৱাৰ দুৰৱস্থাই বহুতকে অসুবিধাত পেলাই। কিন্তু সুখৰ খবৰ যে, ইমানবোৰ প্ৰতিকূলতাক প্ৰত্যাহ্বান জনাই প্ৰতিদিনেই বহুলোক মালিনীথানত গৈ উপস্থিত হয়গৈ। যদি আমি এই বাধাসমূহ একেবাৰে নাইকিয়া কৰিব পাৰোঁ তেন্তে অদূৰ ভৱিষ্যতে মালিনীথানখনিক লৈ বহুবোৰ সম্ভাৱনাই নকৈ গজি উঠিব।